অসম

শীতৰ আগমনৰ লগে লগে শিৱসাগৰৰ ঐতিহাসিক পহুগড়ত পৰিভ্রমী চৰাইৰ কলৰৱ

শীতৰ আগমনৰ লগে লগে শিৱসাগৰৰ ঐতিহাসিক পহুগড়ৰ জলাশয়লৈ আগমন ঘটিছে বিভিন্ন প্রজাতিৰ পৰিভ্রমী চৰাইৰ।

প্রকাশ: ২৮ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:৩১



Migratory birds return to historic Pohu Garh in Sivasagar as winter sets in (NewzNow)

শিৱসাগৰ: শীতৰ আগমনৰ লগে লগে শিৱসাগৰৰ ঐতিহাসিক পহুগড়ত আৰম্ভ হৈছে পৰিভ্রমী চৰাইৰ কলৰৱ। শীতকালীন অতিথি চৰাইৰ আগমনে ঐতিহাসিক স্থানখনৰ জলাশয়সমূহৰ লগতে সমগ্র পৰিৱেশ মনোমোহা কৰি তুলিছে।

ইতিমধ্যে পহুগড়ৰ বিভিন্ন জলাশয়ত দেখা গৈছে বিভিন্ন প্রজাতিৰ পৰিভ্রমী চৰাই। ইয়াৰ ভিতৰত দেওৰাজ হাঁহ, শেৱালী হাঁহ আৰু চাকৈচকোৱাৰ দৰে চৰাইৰ উপস্থিতিয়ে প্রকৃতিপ্রেমীসকলৰ দৃষ্টি আকর্ষণ কৰিছে। প্রতি বছৰে শীতকালত দূৰ-দূৰণিৰ পৰা অহা এই চৰাইসমূহে পহুগড়ক এক আকর্ষণীয় চৰাইৰ বিচৰণস্থলীত পৰিণত কৰে।

উল্লেখযোগ্য যে, আহোম শাসনকালত স্বর্গদেউসকলে বন্য জীৱ-জন্তু আৰু চৰাই-চিৰিকটিৰ সংৰক্ষণৰ উদ্দেশ্যে ঐতিহাসিক পহুগড় নির্মাণ কৰিছিল। সেয়েহে এই স্থানখনে কেৱল ঐতিহাসিক গুৰুত্বই নহয়, প্ৰাকৃতিক সম্পদ আৰু জীৱবৈচিত্ৰ্যৰ ক্ষেত্ৰতো বিশেষ তাৎপর্য বহন কৰি আহিছে।

সময়ৰ পৰিৱর্তনৰ লগে লগে পহুগড়ৰ চৌপাশৰ পৰিৱেশৰ যথেষ্ট পৰিৱর্তন ঘটিছে যদিও শীতকালত পৰিভ্ৰমী চৰাইৰ আগমন আজিও অব্যাহত আছে। এই চৰাইসমূহৰ সুৰক্ষা আৰু প্ৰাকৃতিক বাসস্থান সংৰক্ষণৰ ক্ষেত্ৰত সচেতনতা বৃদ্ধিৰ প্ৰয়োজনীয়তাও পুনৰ চর্চালৈ আহিছে।

এই খবৰটো NewzNow-ত প্ৰথমে প্ৰকাশ হৈছিল। সম্পূৰ্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/7082/sivasagar-pohu-garh-migratory-birds-winter